# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ ১ অক্টোবৰ ২০২১ চনত মছজিদ মোবাৰক,ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ সৰ্বোত্তম মৰ্যাদা প্ৰাপ্ত সম্পন্ন খলিফা ৰাশেদ ফাৰুকে আজিম হজৰত উমৰ বিন খাত্তাব (ৰাঃ)ৰ প্ৰশংসনীয় গুণাৱলী সম্পৰ্কে বৰ্ণনা**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাছাহুদ তাউয আৰু চুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে ইউৰোপ,স্পেইন আৰু ছিছিলি আদি দেশবোৰত তবলিগ সংক্ৰান্তে এটা ভাষণত হজৰত উমৰ (ৰাঃ)ৰ খিলাফৎ কালত সংগঠিত হোৱা ঘটনা উল্লেখ কৰি কয় যে হজৰত আবু উবেয়দা (ৰাঃ) য়ে শ্বামৰ (ছিৰিয়াৰ) যুদ্ধত সৈন্য সংখ্যা কম আৰু আনফালে শত্ৰুৰ সৈন্য সংখ্যা বেছি হোৱা দেখি হজৰত উমৰ (ৰাঃ)লৈ আৰু সৈন্য পঠোৱাৰ বাবে পত্ৰ লিখিছিল। হজৰত উমৰ (ৰাঃ)য়ে বিভিন্ন কবিলাৰ সৈতে আলোচনা-বিলোচনা কৰাৰ পিছত তাৰে এটা কবিলাৰ পৰা ডেকা সকলক জমা কৰি হজৰত আবু উবেয়দা (ৰাঃ)লৈ লিখিছিল যে তিনি হাজাৰ সৈন্য আৰু তিনি হাজাৰৰ সমান তুলনাৰ আমৰ বিন মাদি কৰবক তোমাৰ সহায়ৰ বাবে পঠাই দিলো। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে যদি আমাৰ এজন ডেকাক তিনি হাজাৰ মানুহৰ সৈতে যুঁজ দিবলৈ পঠোৱা হয় তেন্তে তেওঁ নিশ্চয় ক'ব যে এয়া এটা বিবেচন বিবেক বিৰোধ কথা। কিন্তু তেওঁলোকে নিজৰ ঈমানৰ দৃঢ়তা আৰু খলিফা ওয়াক্তৰ কথাত গুৰুত্ব দিয়াৰ পৰিপ্ৰেক্ষিতে অকলশৰীয়া আমৰ বিন মাদি কৰোবক তাচ্ছিল্য কৰাৰ পৰিৱৰ্তে ধুম ধামেৰে মিছিল আকাৰে গৈ স্বাগত জনাই আদৰি আনিছিল। যাৰ ফলত শত্ৰু সকলে ভাৱিছিল যে সম্ভৱত লাখ -দু-লাখ ফৌজ মুছলমান সকলক সহায় কৰিবলৈ আহি গৈছে ; এই ভয়তে সিহঁতে যুদ্ধ ক্ষেত্ৰ এৰি পলায়ন কৰে। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে বৰ্তমানে আমিও এনেদৰে হৃদয়ত উৎসাহ উদ্যম জন্মাব লাগিব। এখেত (ৰাঃ)য়ে ইউৰোপ,স্পেইন আৰু ছিছলিত কেনেকৈ ইছলামৰ তবলিগ কৰিব লাগিব আৰু এই সম্পৰ্কে তলত উল্লেখিত ঘটনা বৰ্ণনা কৰিছিল।

মিছৰ বিজয়ৰ ক্ষেত্ৰত ফাৰমাৰ যুদ্ধৰ এটা গুৰুত্বপূৰ্ণ ভূমিকা আছিল। ফাৰমা বহিৰা ৰোম আৰু প্লুজিৰ দিহানেৰ ওচৰতে থকা নীল নদীৰ পাৰতে অৱস্থিত এখন পাহাৰৰ ওপৰত মিচৰৰ এখন বিখ্যাত চহৰ। আল্লামা শিবলি নুমানিৰ মতে বায়তুল মোকাদ্দছ বিজয়ৰ পিছত হজৰত আমৰ বিন আচ (ৰাঃ)ৰ আকোৰ -গোজালিত হজৰত উমৰ (ৰাঃ)য়ে আমৰ বিন আচক চাৰি হাজাৰ সৈন্য দি মিচৰলৈ পঠাই দিছিল। কিন্তু লগতে এয়াও আদেশ দিছিল যে যদি তুমি মিচৰ গৈ পোৱাৰ আগতে মোৰ পত্ৰ পোৱা তেন্তে তুমি ওভতি আহিবা। এই সম্পৰ্কে বিভিন্ন ধৰণৰ ৰিৱায়ত পোৱা যায়। কিন্তু এয়া শুদ্ধ তথ্য বুলি অনুমান কৰিব পাৰি যে মিচৰৰ সীমান্তৰ ভিতৰত আৰিশত

গৈ এখেতে পত্ৰ পাইছিল; মিচৰত প্ৰৱেশ কৰাৰ পিছত আগবাঢ়ি যোৱাৰ কথা আছিল কাৰণ মোমিনৰ আগবঢ়োৱা খোজ কেতিয়াও পিছুৱাই নাহে। ৰোমিয় সকলে ইছলামী সৈন্য সংখ্যা কম দেখি আৰু নিজৰ সৈন্য সংখ্যা বেছি আৰু সাজ সজ্জা সবল দেখি মুছলমান সকলৰ সাহস বল কমি যাব বুলি ভাৱি এওঁলোকে দুৰ্গত সষ্টম হৈ পৰে। হজৰত আমৰ বিন আচ (ৰাঃ)য়ে কেইবা মাহ ধৰি দুৰ্গ অৱৰোধ কৰি ৰাখে। তাৰ পিছত বাহিৰলৈ ওলাই অহা ৰোমী সৈন্যদল এটাৰ লগত যুদ্ধ কৰি সিহঁতক পৰাস্ত কৰি বিজয় দুৱাৰ মকলি কৰে।

ইয়াৰ পিছত হজৰত আমৰ বিন আচ (ৰাঃ)য়ে শ্বামৰ বাটেৰে কিছতাতৰ পৰা ত্ৰিছ মাইল দূৰত অৱস্থিত এখন চহৰ বিজয় কৰিবলৈ আগবাঢ়ে। তেতিয়া ৰোমী ফৌজে যুদ্ধৰ উদ্দেশ্যে বাট অৱৰোধ কৰে। হজৰত আমৰ (ৰাঃ)য়ে যুদ্ধৰ সলনি ইছলাম গ্ৰহণ কৰিবলৈ আৰু জিজিয়া দিবলৈ মিচৰি সকলক প্ৰস্তাৱ আগবঢ়ায়। মিচৰৰ বাসিন্দা সকলৰ সৈতে মীমাংসা আৰু সহানুভূতিৰ আচাৰ-আচৰণ সম্পৰ্কে ৰছুলুল্লাহ (ছাঃ)ৰ আদেশ- উপদেশৰ কথা উল্লেখ কৰে। হজৰত আমৰ বিন আচ (ৰাঃ)য়ে চাৰি দিন সময় দিয়া সত্ত্বেও মিচৰৰ হাকিম আৰতবুনে ১২ হাজাৰ সৈন্যৰ সৈতে আহি ৰাতিৰ ভিতৰতে মুছলমান সকলৰ ওপৰত আক্ৰমণ চলাই বহু সংখ্যক মুছলমানক শ্বহীদ কৰি দিয়ে যদিও তেওঁলোকৰ এহেজাৰ সৈন্য মৃত্যু মুখত পৰে আৰু তিনি হাজাৰ বন্দী হোৱাৰ পিছত যুদ্ধ ক্ষেত্ৰ এৰি পলায়ন কৰে। এনেদৰে বেলবিছত এমাহ জুৰি যুদ্ধ চলাৰ পিছত অৱশেষত মুছলমান সকলে জয়লাভ কৰিছিল।

যুদ্ধকালীন অৱস্থাত কুবতি সকলৰ চৰদাৰ মকোকছৰ জীয়ৰী আৰমানুছা গ্ৰেপ্তাৰ হৈছিল। হজৰত আমৰ বিন আচ (ৰাঃ)য়ে আয়াত **হাল জাজাওল এহছানি ইল্লাল এহছানু** অৰ্থাৎ কিয় দয়াৰ ফল দয়া অবিহনেও আৰু কিবা হ'ব পাৰেনে ? উদ্ধৃতি অনুসৰি মকোকছে নবী কৰিম (ছাঃ)লৈ উপহাৰ পঠোৱাৰ ফলত মকোকছৰ জীয়েক আৰমানুছাক তাইৰ সকলো আ-অলংকাৰ আৰু স-সন্মানেৰে ওভতাই পঠিয়াইছিল। ওভতি অহাৰ সময়ত তাইৰ এজনী সেৰিকাই আৰমানুছাক কৈছিল যে আমি এতিয়াও চাৰিওফালৰ পৰা আৰবীয়ান সকলৰ বেষ্টনিত আছো। তেতিয়া আৰমানুছাই কৈছিল মই আৰবীয়ান ছাওনীত নিজৰ প্ৰাণ আৰু সন্মান নিৰাপদ বুলি নাভাৱো। এনেদৰে যেতিয়া তাই গৈ নিজৰ দেউতাকৰ ওচৰত উপস্থিত হৈছিল ; মকোকছে মুছলমান সকলৰ আচৰণত বৰ সন্তুষ্ট হৈছিল। হজৰত আমৰ বিন আচ (ৰাঃ)ৰ এই সিদ্ধান্ত সকলো চাহাবা ইকৰামেই সঠিক সিদ্ধান্ত বুলি কৈছিল। এই ঘটনায় মুছলমান সকলৰ প্ৰজ্ঞা আৰু উত্তম চৰিত্ৰৰ প্ৰমাণ দিয়ে।

নীল নদীৰ পাৰত খালিজতৰাজানৰ এখন সুঁতিৰ ওচৰত য'ত বৰ্তমানে কাহিৰা সকলৰ বস্তি উজবেকিয়া অৱস্থিত; তাত সেই যুগত উমেদেনিন সকলে বসবাস কৰিছিল; যিসকলক ৰোমীয় সকলে দুৰ্গ হিচাপে ব্যৱহাৰ কৰি আহিছিল। সেই হিচাপে উমেদেনিনক মিচৰীয়া সকলৰ প্ৰথম ৰক্ষা কবচ বুলি কোৱা হৈছিল। উক্ত উমেদেনিনৰ ওচৰত গৈ মুছলমান সকলে বাহৰ পাতে; তেতিয়া ৰোমীয় দুৰ্গ বাবলিউনত তেওঁলোকৰ নিপুন সেনানী সকলক পঠাই দিছিল আৰু উমেদেনিনৰ দুৰ্গ ভালদৰে সজ্জিত কৰি যুদ্ধলৈ সাজু হৈ গৈছিল। তেওঁলোকে এয়া ভালদৰে জানিছিল যে আৰবীয়ান সেনাৰ সৈতে মুকলি পথাৰত যুঁজ দি জয়লাভ কৰা অসম্ভৱ। উমেদেনিনৰ সৈনিক সকলে মাজে সময়ে ওলাই আহি যুঁজ দি দি অক্ষম হৈ উভতি গৈছিল। এনেদৰে কেইবা সপ্তাহ পাৰ হৈ গৈছিল। ইতিমধ্যে হজৰত উমৰ (ৰাঃ)য়ে ইছলামী সৈন্যৰ সাহায্যাৰ্থে আৰু চাৰি হেজাৰ সৈন্য পঠাই দিছিল। হজৰত উমৰ (ৰাঃ)য়ে এই সৈন্যদল প্ৰেৰণৰ লগে লগে হজৰত আমৰ বিন আচক লিখি পঠিয়াইছিল যে এতিয়া তোমাৰ লগত ১২ হাজাৰ জিহাদী আছে। এই সংখ্যাৰ দলটো সংখ্যা লঘিষ্ঠ হোৱা বাবে কেতিয়াও হাৰি নাযায়। ৰোমিয় সকলে কুবতিয়া যুদ্ধা সকলক লৈ মুছলমান সকলৰ লগত যুঁজ দিবলৈ ওলাই আহে আৰু দুয়োপক্ষৰ ফৌজৰ মাজত তুমুল যুদ্ধ হয় আৰু ৰোমিয় সকলে পৰাজয় বৰণ কৰে।

বিভিন্ন বিজয় সম্পৰ্কে উল্লেখ আছে যে উমেদেনিনৰ বিজয়ৰ পিছত প্ৰথমে ফিউমৰ ৰাজ্য আৰু আয়নুল শ্বামছত মুছলমান সকলে ৰোমিয় সকলৰ ওপৰত বিজয় লাভ কৰিছিল। এনেদৰে মনুফিয়া ৰাজ্যৰ দুখন চহৰ আছৰিব আৰু মনুফ দখল কৰিছিল। বাবলিউন আৰু ফিছ্তাতৰ দুৰ্গ সাত মাহ কাল অৱৰোধ কৰি ৰখাৰ পিছত ভিতৰত সোমাই গৈ দুৰ্গ দখল কৰি লৈছিল।

ফিছ্তাত জয় কৰাৰ পিছত হজৰত উমৰ (ৰাঃ)য়ে স্কেন্দ্ৰিয়া বিজয়ৰ লক্ষে অনুমতি দিয়ে। প্ৰায় ন মাহ কাল স্কেন্দ্ৰিয়া অৱৰোধ কৰি ৰাখিছিল। এনেকুৱা পৰিস্থিতি চাই হজৰত উমৰ (ৰাঃ)য়ে ব্যাকুলতা অনুভৱ কৰি পত্ৰ লিখিছিল যে সম্ভৱত তোমালোকে তাত গৈ আৰাম কৰি আছা,নহলে বিজয় অৰ্জনত ইমান পলম নহ'লহেঁতেন। এই বাৰ্ত্তৰি সৈতে মুছলমান সকলক উৎসাহিত কৰি আক্ৰমণ চলোৱা। হজৰত উমৰ (ৰাঃ)ৰ এই পত্ৰৰ বিৱৰণী শুনোৱাৰ পিছত হজৰত আমৰ বিন আচ (ৰাঃ)য়ে হজৰত উবেয়দা বিন ছামছক মাতি পঠিয়ায় আৰু যুদ্ধ পতাকাৰ দায়িত্ব তেখেতৰ ওপৰত ন্যস্ত কৰে। তাৰ পিছত মুছলমান সকলে তীব্ৰ আক্ৰমণ চলাই সেই চহৰখন নিজৰ দখললৈ লৈ আনে। তেতিয়া হজৰত আমৰ বিন আচ (ৰাঃ)য়ে মদিনালৈ দুত প্ৰেৰণ কৰে আৰু তেওঁক আদেশ দিয়ে যে যিমান দ্ৰুত বেগে যাব পাৰা যোৱা আৰু গৈ পেলাই আমিৰুল মোমিনিনক সুসংবাদ দিয়াগৈ। কাছিদে দুপৰীয়াত আহি মদিনাত উপস্থিত হৈছিল যদিও তেওঁ ধাৰণা কৰিছিল যে এতিয়া অলপ বিশ্ৰাম লোৱাৰ সময় সেয়ে তেওঁ পোনে পোনে মছজিদ নবৱীলৈ যাবলৈ লৈছিল। এনেতে হজৰত উমৰ (ৰাঃ)ৰ এজন দাসীৰ লগত সাক্ষাৎ হোৱাত তাই গৈ হজৰত আমিৰুল মোমিনিনক খবৰ দিছিল। বিজয়ৰ খবৰ শুনি হজৰত উমৰ (ৰাঃ)য়ে জমিনত ছিজদাৰত হৈ আল্লাহ তা'লাৰ শলাগ লৈছিল। তাৰ পিছত হজৰত উমৰ (ৰাঃ)য়ে বাৰ্তাবাহক জনক প্ৰশ্ন কৰিছিল যে তুমি পোনে পোনে মোৰ ওচৰলৈ কিয় অহা নাই। তেওঁ উত্তৰ দিছিল যে মই ভাৰিছিলো যে আপুনি হয়তো এতিয়া বিশ্ৰাম লৈ আছে। হজৰত আমিৰুল মোমিনিনে কৈছিল যে তুমি মোৰ সম্পৰ্কে এয়া কিয় অনুমান কৰিলা যে মই দিনত শুই থাকিম; তেন্তে এই খিলাফতৰ বোজা মই কেনেকৈ বহন কৰিম।

স্কেন্দ্ৰিয়া বিজয়ৰ লগে লগে গৈ গৈ মিচৰত মুছলমানৰ বিজয় পতাকা উৰিছিল। মিচৰ বিজয়ৰ যুদ্ধ বিলাকত অধিকাংশ সেনাক গ্ৰেপ্তাৰ কৰি লোৱা হৈছিল। হজৰত উমৰ (ৰাঃ)য়ে সকলো কয়েদী সম্পৰ্কে হজৰত আমৰ বিন আচ (ৰাঃ)ক পত্ৰ দ্বাৰা নিৰ্দেশ দিছিল যে তেওঁলোকে ইচ্ছা কৰিলে মুছলমান হ'ব পাৰে অথবা নিজৰ ধৰ্মতেই অটুট থাকিব পাৰে।

স্কেন্দ্ৰিয় বিজয়ৰ ঘটনা সম্পৰ্কে বিৰুদ্ধবাদী সকল বিশেষকৈ ঈছাই লিখক সকলে হজৰত উমৰ (ৰাঃ)ৰ আদেশত স্কেন্দ্ৰিয়াৰ পুথিভঁৰালত অগ্নি সংযোগ কৰি ছমাহ ধৰি জুই জ্বলোৱাৰ অভিযোগৰ সৈতে এয়া প্ৰভাৰ পেলোৱাৰ চেষ্টা কৰিছিল যে মুছলমান সকলে (নাউজুবিল্লাহ) জ্ঞান বিবেক বিৰোধী কাম কৰে। যিহেতু যি সম্প্ৰদায়ৰ পথ প্ৰদৰ্শকে অৰ্থাৎ ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে যে জ্ঞান অৰ্জন কৰা প্ৰত্যেকজন মুছলমানৰ বাবে ফৰজ; আৰু শিক্ষা অৰ্জন কৰা যদিওবা চীনলৈকে যাব লগা হয়। তেনে ৰছুলৰ মান্যকাৰী সকলৰ ওপৰত পুথিভঁৰাল জ্বলোৱাৰ দোষ জাপি দিয়াটো প্ৰজ্ঞা বিৰুদ্ধ আৰু নীতি বিৰুদ্ধ অভিযোগ। বহুতো ঈছাই আৰু ইউৰোপীয়ান ইতিহাস বিদ পণ্ডিতে এয়া প্ৰমাণ কৰিছে যে স্কেন্দ্ৰিয়াৰ পুথিভঁৰাল জ্বলাই দিয়া কাহিনীটো এটা মনগঢ়া আৰু মিছা কাহিনী। হজৰত খলিফাতুল মছীহ আউৱাল (ৰাঃ)য়ে নিজৰ কিতাপ তচদিক বাৰাহিনে আহমদীয়তত ঈছাই লিখক সকলৰ এই অভিযোগ উপযুক্ত প্ৰমাণ সহকাৰে বাতিল সাব্যস্ত কৰিছে।

হজৰত উমৰ ফাৰুক (ৰাঃ)ৰ খিলাফৎ কালত ইছলামী সাম্ৰাজ্য পূব ফালে জেহুন আৰু ছিন্দ নদী, পশ্চিম

ফালে আফ্রিকাৰ চাহাৰা মৰুভূমি আৰু উত্তৰ ফালে এছিয়াৰ কোচক পাহাৰ আৰু আৰমেনিয়া আৰু দক্ষিণ ফালে বেহৰালকাহল আৰু নৌবালৈকে  এক বিশাল সাম্ৰাজ্য ৰূপে পৃথিৱীৰ গোলকীয় ছবিত প্ৰজ্বলিত হৈ উঠিছিল আৰু সকলোৰে ইছলামৰ ন্যায়ৰ ছায়া আৰু কৃপাত নিৰাপদ আৰু শান্তিৰে জীৱন-যাপন কৰিছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে য'ত আল্লাহ তা'লা অনুমতি দিছে যে যদি তোমাক কোনোবায় এটা চৰ সুধায় তেন্তে তুমিও তাক এটা চৰ সুধাই দিয়া; তাত আকৌ আল্লাহ তা'লা এয়াও কৈছে যে যদি তুমি কাজিয়া কৰাটো নেকী বিৰুদ্ধ বুলি ভৰা তেন্তে মনে মনে থাকা আৰু সেই আঘাতৰ উত্তৰ নিদিবা। এই বিষয় সম্পৰ্কে কোনো দলিল প্ৰমাণ আদি পোৱা নাযায় যে কিয় হজৰত আবু বক্কৰ (ৰাঃ),হজৰত উমৰ (ৰাঃ),হজৰত উচমান (ৰাঃ)য়ে আফগানিস্তান আৰু বুখাৰাৰ কবায়েল আৰু কুৰ্দু সকলৰ অত্যাচাৰ ক্ষমা কৰা নাই ? ইয়াৰ কাৰণ হ'ল এয়া যে তেখেত সকলে জানিছিল যে কিছুমান কবিলায় মুছলমান সকলৰ ওপৰত আক্ৰমণ কৰা নাই বৰং খোদা তা'লাই আক্ৰমণ কৰোৱাইছে যাতে মুছলমান সকলে সজাগ হয় আৰু তেওঁলোকৰ মাজত যেন এটা নৱ ৰূহৰ (নৱ জাগৰণৰ) আৰু এটা নতুন জীৱন প্ৰণালীৰ জন্ম হয়।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এই ঘটনাবোৰৰ বিষয়ে এখন খোতবাত জমাতক উপদেশ দিছে যে বিপদ-আপদ সমস্যা আদিয়ে আমাক খোদা তা'লাৰ সান্নিধ্যলৈ যোৱাৰ বাট মুকলি কৰোঁতা হোৱা উচিত। পিছত সেইবিলাকেই আমাৰ বিজয়ৰ মাধ্যম হৈ পৰে। যদি আমি এইবিলাক বিষয়ে ভয় কৰি পিছুৱাই থাকো আৰু নিজৰ সংশোধনৰ ফালে মন নিদিওঁ তেন্তে আমাৰ কেতিয়াও উন্নতি হ'ব নোৱাৰে। যেতিয়া উন্নতিয়ে আহি লগ দিয়ে আৰু বিপদ সমস্যা আদিৰ অন্ত পৰে তেতিয়া এই দুয়োটা বিষয়তে বিশেষকৈ আল্লাহ তা'লাৰ ফালে মনোযোগ দিয়া উচিত। আনফালে আমি নিজৰ আধ্যাত্মিক উন্নতি আৰু উৎকৰ্ষৰ ফালে ধাৱিত হ'ব লাগিব। বৰ্তমানে প্ৰত্যেকজন আহমদীৰ বাবে এই বিষয়টো অতিকৈ গুৰুত্বপূৰ্ণ আৰু বুজিব লগা কথা।আল্লাহ তা'লা আমাক এই বাটেৰে আগুৱাই যোৱাৰ সৌভাগ্য দান কৰক। আমিন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR aba 1 Oct 2021**

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844